1980

# জবাহৰ জ্যোতি

জবাহৰলাল নেহৰু মহাবিদ্যালয় বকো

সা বিদ্যা যা বিমুক্তয়ে

বকো জবাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

# জৱাহৰ জ্যোতি

পঞ্চম সংখ্যা
১৯৮০

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

তত্ত্বাৱধায়ক ঃ
দিলীপ দাস

বেটুপাতৰ শিল্পী ঃ
অৰুণ কলিতা

ছপাওঁতা ঃ
জনতা প্ৰেছ, মিৰ্জা

সম্পাদক ঃ
নৱমোহন ৰায়সৰকাৰ

## সম্পাদনা সমিতি :—

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ : সভাপতি

অধ্যাপক বসন্ত দত্ত : উপ সভাপতি

অধ্যাপক দিলীপ দাস : তত্ত্বাৱধায়ক

অধ্যাপক দ্বিজেন দাস : সদস্য

অধ্যাপক খগেশ সেন ডেকা : সদস্য

নৱমোহন ৰায়সৰকাৰ : সম্পাদক

যি কেইগৰাকী ব্যক্তিৰ বিয়োগত আমি পাতনিতে অশ্ৰু-অঞ্জলি যাচি স্বৰ্গগত আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ, সেইসকল হ'ল :

(১) জয়প্ৰকাশ নাৰায়ণ।
(২) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাৰতীয় বৈষ্ণৱ সাহিত্যৰ প্ৰখ্যাত অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু।
(৩) শঙ্কৰী কলাকৃষ্টি আৰু বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰ।
(৪) অসমীয়া সংস্কৃতিৰ একনিষ্ঠ পূজাৰী দৰদী শিল্পী ৰুদ্ৰ বৰুৱা।
(৫) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য শিক্ষাবিদ্ ড° হিতেন্দ্ৰ কুমাৰ বৰুৱা।
(৬) প্ৰসিদ্ধ বুৰঞ্জীবিদ ডঃ ৰমেশ চন্দ্ৰ মজুমদাৰ।
(৭) অধ্যক্ষ তাৰিণী কান্ত ভট্টাচাৰ্য।
(৮) অধ্যক্ষা ড° কমলা ৰায়।
(৯) অসমীয়া বোলছবি নিৰ্মাতা বিশিষ্ট শিল্পী দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ।
(১০) উদীয়মান পৰ্বত আৰোহণকাৰী ৰোহিণী কুমাৰ ভূঞা।
(১১) ভাৰতৰ শেষ গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্ট বেটেন।
(১২) বিশ্ববিখ্যাত দাৰ্শনিক, সাহিত্যিক, নাট্যকাৰ জঁ'পল ছাত্ৰে।
(১৩) প্ৰাক্তন এম, এল, এ, ছবিলাল উপাধ্যায়।
(১৪) প্ৰাক্তন এম, এল, এ, আৰু এম, পি, জ্যোতি-ভাতৃ কমলা প্ৰসাদ আগৰৱালা।
(১৫) ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভি, ভি, গিৰি।
(১৬) এম, পি, সঞ্জয় গান্ধী।
(১৭) বাংলা তথা ভাৰতীয় কথাছবি জগতৰ প্ৰতিভাবান অভিনেতা উত্তম কুমাৰ।
(১৮) ভাৰতীয় সঙ্গীতজগতৰ অন্যতম তাৰকা দৰদী কণ্ঠ-শিল্পী মহম্মদ ৰফী।

## আৰু

অসমৰ সাম্প্ৰতিক অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মোৎ মহান আৰু বিৰল কীৰ্তিত্বৰে মৃত্যুঞ্জয় কৰা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰী, নৃপেন বৰা, কুমুদ গগৈ, অজিত নেওগ, নগেন ডেকা প্ৰমুখ্যে জ্ঞাত অজ্ঞাত অনান্য সকল।

# সূচীপত্র


| বিষয় | পৃষ্ঠা | লিখক |
|---|---|---|
| ॥ সম্পাদকীয় ॥ | ঃ১ঃ | |
| ॥ কবিতা ॥ | | |
| দৈত্যবধৰ আঁচনি | ঃ৫ঃ | অশ্বিনী বসুমতাৰী |
| আহ্বায়ক এক নতুন সংগ্ৰামৰ | ঃ৭ঃ | মহেন্দ্ৰ কুমাৰ দাস |
| চিঠিৰ বাকচ ঃ য'ত আছে মনৰ খবৰ | ঃ৮ঃ | বস্তিৰাম পাঠক |
| প্ৰেতাত্মা | ঃ৯ঃ | বনমালী দাস |
| উপলব্ধ অস্তিত্ব | | বসন্ত কুমাৰ দত্ত |
| আহ্বান ঃ শিশুবৰ্ষৰ | ঃ১০ঃ | কামিনী মোহন শৰ্মা |
| বন্দীশালৰ চিঠি | ঃ১১ঃ | খগেশ সেন ডেকা |
| ৺ৰুদ্ৰ বৰুৱা ঃ একাঁজলি অশ্ৰু-অঞ্জলি | ঃ১৪ঃ | ০ ০ ০ |
| ॥ অনুবাদ কবিতা ॥ | | |
| চিগাৰেট | ঃ১৬ঃ | মূল ঃ সুকান্ত ভট্টাচাৰ্য্য<br>অসমীয়া ৰূপান্তৰ ঃ মিচ্ কবিতা বসাক |
| ॥ গল্প ॥ | | |
| বক্তৃতা বনাম নীৰৱতা | ঃ১৮ঃ | ভবানী প্ৰসাদ দাস |
| অচিন সুহৃৰি | ঃ২৪ঃ | নৰমোহন ৰায় সৰকাৰ |
| যাত্ৰা | ঃ২৮ঃ | দিলীপ দাস |
| ॥ প্ৰবন্ধ ॥ | | |
| বৌদ্ধধৰ্মৰ পটভূমি আৰু দাৰ্শনিক তাৎপৰ্য্য | ঃ৩৬ঃ | দ্বিজেন দাস |
| মাদাৰ টেৰেছা ঃ | | |
| মানৱ সেৱা যাৰ অন্য এক পৰিচয় | ঃ৪৪ঃ | মঞ্জুলা দাস |
| 'আমাৰ জন্ম উন্নতি চাও" | ঃ৪৮ঃ | পৰমেশ দত্ত |
| লোকনায়ক জয়প্ৰকাশ নাৰায়ণ ঃ এটি শ্ৰদ্ধাঞ্জলি | ঃ৫৪ঃ | লক্ষ্মী শৰ্মা |

| বিষয় | পৃষ্ঠা | লিখক |
| --- | --- | --- |
| 'যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ধাৰা' | ঃ৫৯ঃ | প্ৰাণেশ্বৰ ৰয় |
| মৰুভূমি, তুমি সৰ্বগ্ৰাসী | ঃ৬৪ঃ | ত্ৰৈলোক্য দাস |
| শঙ্কৰদেৱৰ বচনাত হাস্যৰস | ঃ৭১ঃ | লক্ষ্মী দাস |
| বিহগী কবি ৺ৰঘুনাথ চৌধাৰী ঃ শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি | ঃ৭৪ঃ | |
| এটি সাক্ষাৎকাৰ ঃ ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ সৈতে | ঃ৭৬ঃ | |
| ।। খেল জগত ।। | | |
| হকী যাদুকৰ ধ্যানচাঁদ ঃ এটি শ্ৰদ্ধাঞ্জলি | ঃ৭৯ঃ | |
| '৮০ ৰ মস্কো অলিম্পিক ঃ হকীত ভাৰতৰ স্বৰ্ণপদক ঃ | ঃ৮১ঃ | |
| ।। ব্যক্তি পৰিচিতি ।। | | |
| ১। বেডমিণ্টনৰ বিশ্ব চেম্পিয়ন প্ৰকাশ পাড়ুকন | ঃ৮২ঃ | |
| ২। সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ বিয়ণ বৰগ্ | ঃ৮৩ঃ | |
| ৩। ভিভিয়ান ৰিচাৰ্ডচ | ঃ৮৪ঃ | |
| ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঃ৮৫ঃ | |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | ঃ৮৭ঃ | |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | ঃ৮৮ঃ | |
| সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ৮৯ঃ | |
| খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ৯১ঃ | |
| তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ৯২ঃ | |
| Jawaharlal Nehru College– A Glimpse | :93: | Principal J. C. Nath M A. |
| Results of the Annual College Week Competitions. 1978–79 | :101: | |

(বিঃ দ্ৰ—লিখক লিখিকাৰ নাম উল্লেখ নথকা ৰচনাসমূহ সম্পাদনা সমিতিৰ তৰফৰপৰা আগবঢ়োৱা হৈছে।)

# সম্পাদকীয়

**অসমৰ সাম্প্ৰতিক আন্দোলন প্ৰসঙ্গত আমাৰচেৰেক ঃ—**

অসমৰ আকাশ বতাহ আজি অবৈধ বিদেশী বহিষ্কৰণ তথা অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ ধ্বনিৰে মুখৰিত। স্কুল-কলেজ, অফিচ-কাৰখানাৰ জীৱন আজি প্ৰায় এবছৰে অচলপ্ৰায়। নিঃসন্দেহে সংঘটিত হৈছে জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি—শৈক্ষিক, সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ দাবীৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ অস্পষ্ট তথা দ্বিধাগ্ৰস্ত নীতিয়ে সমস্যা জটিলৰপৰা জটিলতৰ কৰি তুলিছে। কোৱা বাহুল্য, সমস্যা আৰু পৰিস্থিতিৰ সম্যক জ্ঞান নথকা, গাদী-লোভী, স্বাৰ্থপৰ আৰু সৎ সাহসৰ অভাৱ থকা কিছুমান নেতাৰ দুৰ্বল, সোপাচিলা নেতৃত্বৰ কাৰণে স্বাধীনতাৰ পিছৰে পৰা ৰত্ন-গৰ্ভা অসমে কেন্দ্ৰীয় চৰকাৰৰ হাতত বিভিন্ন ক্ষেত্ৰত নিজৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে—পাই আহিছে অৱহেলা, উপেক্ষা। অসমৰ সাম্প্ৰতিক সংগ্ৰামো তেনেকুৱা নেতৃত্বৰে কৰুণ পৰিণতি। ইতিমধ্যে আঙুলিমূৰত লেখিব পৰা দুই চাৰিটা যি ন্যায্য প্ৰাপ্য অসমে কেন্দ্ৰীয় চৰকাৰৰপৰা আদায় কৰিবলৈ সমৰ্থ হৈছে সিয়ো বহু সংগ্ৰাম, বহু তিক্ততা, বহু পানী ঘোলা কৰাৰ বিনিময়ত। সৰ্বজন বিদিত কাৰণে তাৰ পুনৰুক্তি ইয়াত নিষ্প্ৰয়োজন। সি যি কি নহওক, সাম্প্ৰতিক আন্দোলনত আদিৰেপৰা এতিয়ালৈকে বহু ৰক্তক্ষয় হ'ল, অসমৰ বহুত উদীয়মান কিশোৰ-কিশোৰী, যুৱক-যুৱতী আৰু প্ৰৌঢ়-বৃদ্ধলোকৰ শৰীৰ চিৰকাললৈ ঘূণীয়া হ'ল, হাঁহি হাঁহি মৃত্যুক আঁকোৱালি লোৱা বহুতৰ নিষ্কলুষ তেজৰ চেঁকুৰাৰে অসমৰ পূত পবিত্ৰ ভূমি ৰাঙলী হ'ল। দুষ্ট চক্ৰৰ জঘন্য ষড়যন্ত্ৰই সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ সিঁচাৰো অহৰহ চেষ্টা চলাই থকা যেন লাগে। আ[illegible] সৰ্বান্তঃকৰণে আশা কৰিছোঁ, বিভিন্ন ক্ষেত্ৰত পিছপৰি থকা অসমৰ এই গণতান্ত্ৰিক আৰু দাবীৰ কেন্দ্ৰীয় চৰকাৰে অনতিপলমে এটি সুস্থ আৰু গ্ৰহণযোগ্য সমাধান দি অসমৰ ৰাইজক সংগ্ৰাম আৰু দীৰ্ঘমিয়াদী কৰিবলৈ প্ৰবৃত্ত নকৰাব। এটা কথা চৰকাৰে মনত ৰখা উচিত, এই সংগ্ৰামৰ ফলত ৰাষ্ট্ৰৰ অবিচ্ছেদ্য অঙ্গ অসমৰ ক্ষতিয়ে প্ৰভূত আৰু অপূৰণীয়। এই কথা অসমৰ খিলঞ্জীয়া ৰাইজেও নজনা নহয়। তথাপিও যে তেওঁলোক আন্দোলনত প্ৰবৃত্ত হৈছে, তাৰ কাৰণ অদূৰ অথবা সুদূৰ

ভৱিষ্যতত অসমৰ অস্তিত্বৰ ভয়াবহ পৰিণতি আশঙ্কা কৰিছে। কেন্দ্ৰীয় চৰকাৰে সহানুভূতি আৰু সুবিবেচনাৰে সমস্যাৰ সমাধান কৰিবলৈ আগবাঢ়ি আহক। জোঁৰ পুৰি হাত পাবলৈ দিলে সমস্যা আয়ত্বৰ বাহিৰলৈ যাব। দমনমূলক যতবোৰ আইন ইতিমধ্যে অসমৰ শান্তশ্ৰী বুকুত প্ৰয়োগ কৰা হৈছে, সেইবোৰ অতি শীঘ্ৰে প্ৰত্যাহাৰ কৰি এটি সুস্থ, মুকলি-মূৰীয়া, বিশ্বাস আৰু বুজাপৰাৰ পৰিবেশ সৃষ্টি কৰক। সমস্যাৰ সমাধান বুজাপৰাৰ মাজেৰেহে হয়—বন্দুক, লাঠী-দাণ্ডাৰে নহয়।

সাম্প্ৰতিক আন্দোলনৰ ফল স্বৰূপে অসমৰ আবাল-বৃদ্ধ-বনিতাৰ যি একতা, আন্তৰিকতা, ত্যাগ আৰু স্বদেশপ্ৰেম পৰিলক্ষিত হৈছে সি সঁচাকৈয়ে আদৰণীয়। যুৱক-যুৱতীসকলৰ মনত স্বাৱলম্বিতাৰ যি মনোভাৱ শিপাইছে সিয়ো নিশ্চয় প্ৰশংসনীয়। আমি আশা কৰিছোঁ, আজিৰ চাম ডেকা-গাভৰুৱে ফোপোলা আভিজাত্য, কৰ্ম-বিমুখতা আৰু যুক্তিহীন লজ্জাৰ ভাৱৰ ফালি দৃঢ় আত্ম-বিশ্বাস আৰু সুনিৰ্দ্দিষ্ট লক্ষ্য লৈ আগবাঢ়ি আহি ইতিমধ্যে অসমৰ বাহিৰৰ লোকে হাতলৈ নিয়া অসমৰ অৰ্থনীতিৰ বাঘজৰী ডাল ন্যায়সঙ্গত ভাৱে নিজৰ হাতলৈ আনিব। সেইদৰে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো নিজকে অধিক সুযোগ্য কৰি তুলি সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত সুনাম অৰ্জন কৰিব। চাকৰিমুখী মনোভাৱ এৰি দি শিক্ষিত যুৱক-যুৱতীয়ে দেখাত সৰু-সুৰা অথচ লাভজনক ব্যৱসায়-বাণিজ্য, ক্ৰিয়া-কৰ্মত আত্মনিয়োগ কৰি অসমৰ ধন অসমতে ৰখাৰ ব্যৱস্থা কৰিবলৈও আগবাঢ়ি আহিব লাগিব। সৰ্বশেষত আমি অতি আন্তৰিকতাৰে আশা ৰাখিছোঁ, যুগ যুগ ধৰি অসমৰ বুকুত একেলগে বাস কৰি অহা অসমৰ খিলঞ্জীয়া হিন্দু-মুছলমান, খৃষ্টান, অসমীয়া, বঙালী, বড়ো, কছাৰী, ৰাভা, গাৰো, মিৰি, মিছিমি আদিৰ মাজৰ সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া হওক। বিচিত্ৰ কৃষ্টিৰে গঢ়ি উঠা মহান আৰু বৃহৎ অসমীয়া জাতি পুৰণি ঐতিহ্যকো চেৰ পেলাই অধিক সবল শক্তিশালী হৈ বিশ্বৰ সমুখত নতুন ৰূপেৰে জাতিস্কাৰ হৈ উঠক।

**অসমীয়া ভাষা-সাহিত্য প্ৰসঙ্গত দুআষাৰ :—**

সম্প্ৰতি অসমত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্ন উঠিছে যেতিয়া অসমীয়া ভাষা সাহিত্যৰ বিষয়ে অলপীয়াকৈ হলেও কোৱাৰ প্ৰয়োজন আছে। অসমীয়া ভাষাৰ ্যকজন সাহিত্যিক, লেখক-লেখিকা, পাঠক-পাঠিকাই যিটো বস্তুৰ অভাৱ সততে অনুভৱ কৰি আহিছে সেয়া হৈছে এখন বিস্তৃত স্বয়ংসম্পূৰ্ণ অসমীয়া অভিধান। এতিয়ালৈকে যি কেইখন অভিধান অসমীয়া ভাষাত ৰচিত হৈছে তাৰ কোনো খনেই আমাৰ অভাৱ পূৰণ কৰিব পৰা বিধৰ নহয়। দুখৰ বিষয়, নিভাঁজ আৰু সচৰাচৰ ব্যৱহাৰ কৰা বহু অসমীয়া শব্দকে আনকি সেইবোৰত অন্তৰ্ভুক্ত কৰা হোৱা নাই। বহু কাল পূৰ্বে ৰচিত 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' দুখনৰ কথা বাদেই, ১৯৭৭ চনৰ জুন মাহত অসম প্ৰকাশন পৰিষদে 'আধুনিক অসমীয়া অভিধান' নাম দি অসমীয়া

ভাষা সাহিত্যৰ তিনিজন শিৰোমণিৰদ্বাৰা ৫৮১ পৃষ্ঠাৰ যিখন অভিধান উলিয়ালে তাৰ পৰিসৰ-ইমান ঠেক যে, ঐতিহ্যপূৰ্ণ ভাষা এটাৰ সৰ্ব্বাধুনিক অভিধান বুলি চিনাকি দিবলৈ লাজ লাগে। স্বীকাৰ কৰোঁ, অভিধান এখন ৰচনা কৰা যথেষ্ট কষ্টসাধ্য কাম; কিন্তু সেই বুলি ই কোনো অসাধ্য কাম নহয়। ইংৰাজী আদি বিদেশী ভাষাৰ কথা নকওঁৱে, প্ৰতিবেশী ৰাজ্য সমূহৰ বিস্তৃত অভিধান সমূহে এই কথাৰ প্ৰমাণ দিব। আচলতে ই অসমীয়াৰ জাতিগত কষ্টসহিষ্ণুতাৰ অভাৱৰ উল্লেখযোগ্য নিন্দনীয় উদাহৰণ এটি মাথোঁ। অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ সময়ত আমি আমাৰ জাতিগত দুৰ্বলতা সমূহৰ প্ৰতিও সচেতন হব লাগিব আৰু সিবোৰ আঁতৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টাও কৰিব লাগিব। আমি আশা কৰিছোঁ, অসম সাহিত্য সভা অথবা অসমৰ যি কোনো এটি বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত আগভাগ লৈ, প্ৰয়োজন হ'লে চৰকাৰৰপৰা বিত্তীয় সাহায্য লৈ, অসমীয়া ভাষা সাহিত্যৰ এই দীৰ্ঘদিনীয়া অভাৱটো অনতিপলমে পূৰণ কৰিব।

অসমীয়া সাহিত্য-আকাশত অৱশ্যে সম্প্ৰতি আশাৰ বেঙনি পৰিলক্ষিত হৈছে। সৰ্বভাৰতীয় মানদণ্ডতো যে অসমৰ এখন নিজস্ব আসন আছে অলপতে তাৰে প্ৰমাণ দিছে অসমৰ স্বনামধন্য কবি, গল্পকাৰ, ঔপন্যাসিক, সাংবাদিক-সাহিত্যিক শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই। তেখেতৰ 'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে তেখেতক ১৯৮০ চনৰ 'জ্ঞানপীঠ' বঁটা প্ৰদান কৰা হৈছে। অসমীয়া জাতি তথা সাহিত্যৰ বাবে ই পৰম গৌৰৱৰ কথা। আমি এই ছেগতে তেখেতলৈ আমাৰ আন্তৰিক অভিনন্দন জনাইছোঁ আৰু তেখেতৰ সাহিত্যিক জীৱনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ। নক'লেও হব, অসমীয়া সাহিত্যৰ অন্যান্য সাহিত্যিক, লেখক লেখিকাৰ গল্প, কবিতা, উপন্যাস, নাটক আদিও আজি সৰ্বভাৰতীয় প্ৰতিযোগিতাত পাৰিমৰা বিধৰ নহয়। তাৰ মাজৰ পৰাই সময়ত কালজয়ী ৰচনাৰ সৃষ্টি হব বুলিও আমি আশা কৰিছোঁ।

সমালোচনা-সাহিত্যৰ ক্ষেত্ৰত আমি কেৱল প্ৰশস্তিমূলক সমালোচনা নিবিচাৰিলেও ধ্বংসমূলক (Destructive) সমালোচনা নিশ্চয় নিবিচৰোঁ। কিন্তু বৰ্ত্তমান অসমীয়া সাহিত্য-সমালোচনাৰ ধাৰাত মাজে সময়ে এনে ধ্বংসমুখী প্ৰৱণতা এটা দৃষ্টি গোচৰ হয়। আনকি ব্যক্তিগত আক্ৰোশ অসূয়া, ভালপোৱা-বেয়াপোৱা আদিয়েও সমালোচনাৰ ধাৰা নিৰ্ণয় কৰা দেখা যায়। বহুতো লব্ধ-প্ৰতিষ্ঠ অসমীয়া সাহিত্যিক, লেখক-লেখিকাৰ কল [illegible] ৰব হোৱাৰ কাৰণ যদি ইয়ে, তেনেহলে সেয়া সঁচাকৈয়ে বৰ দুৰ্ভাগ্যৰ কথা। আনহাতে উদীয়মান লেখক-লেখিকা সকলেও সদাসন্ত্ৰস্ত মনোভাৱ লৈ আগবাঢ়িব লগীয়া হৈছে। সমালোচক সকলে বুজাই দিয়া উচিত সাহিত্যৰ দিক্‌নিৰ্ণয় কৰিবলৈহে তেওঁলোক সময়ে সময়ে কঠোৰ হবলগীয়া হয়—সাহিত্যিক সকলক ধৰাশায়ী কৰিবলৈ নহয়।

**'জৱাহৰ জ্যোতি' প্ৰসঙ্গ ঃ—**

উপযুক্ত প্ৰবন্ধ-পাতিৰ অভাৱত বা সময়মতে সিবোৰ নোপোৱাৰ কাৰণে আলোচনীৰ প্ৰকাশ নিয়মীয়া কৰিব নোৱাৰাৰ অভিজ্ঞতা কম বেছি পৰিমাণে আলোচনীৰ লগত জড়িত প্ৰায় সকলোৰে আছে। তাৰ ব্যতিক্ৰম আমাৰ ক্ষেত্ৰতো হোৱা নাই। তাৰোপৰি, অসমৰ সাম্প্ৰতিক পৰিস্থিতিত কলেজ সমূহৰ নিয়মীয়া কাৰ্য্য-বিৰতিয়ো কিছুমান অসুবিধাৰ সৃষ্টি কৰাত আলোচনীৰ প্ৰকাশ যথেষ্ট পিছুৱাই গ'ল। অনিচ্ছাকৃত আমাৰ এই ত্ৰুটীৰ বাবে আৰু আলোচনীখনৰ অন্যান্য হীন-ডেঢ়িৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত কৰজোৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। আলোচনী প্ৰকাশত নানা ধৰণে দিহা পৰামৰ্শ দি সহায় কৰা বাবে অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ আমাৰ অকৃত্ৰিম কৃতজ্ঞতা আৰু শলাগ যাচিলোঁ। প্ৰবন্ধপাতিবোৰ চাই মেলি সজাই পৰাই দিয়া বাবে আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ দাস আৰু লগতে সম্পাদনা সমিতিৰ সদস্য অধ্যাপক শ্ৰীযুত বসন্ত দত্ত, শ্ৰীযুত দ্বিজেন দাস আৰু শ্ৰীযুত খগেশ সেন ডেকালৈ এই ছেগতে আমাৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। খেল শিতানৰ প্ৰবন্ধ কেইটা যুগুতাই দিয়া বাবে শ্ৰীযুত দ্বিজেন দাসলৈ আমাৰ বিশেষ কৃতজ্ঞতা থাকিল। আলোচনীৰ কামত নানা ধৰণে সহায় সহযোগিতা আগবঢ়োৱা কাৰণে সৰ্বশ্ৰী আদিত্য কলিতা, প্ৰাণেশ্বৰ ৰয়, বিনয় বড়ো আৰু বহুতো পাঠকলৈ আমাৰ শলাগ জনালোঁ। আলোচনীখন অতি কম দিনৰ ভিতৰত ছপা কৰি উলিয়াই দিয়া বাবে জনতা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত যোগেশ পাল আৰু কৰ্মীবৃন্দও আমাৰ আন্তৰিক শলাগৰ পাত্ৰ।

অনাগত দিনবোৰত 'জৱাহৰ জ্যোতি' নতুন জ্যোতিৰে উদ্ভাসিত হওক—এই কামনাৰেই সম্পাদকীয়ৰ মোখনি মাৰিলোঁ।

—সম্পাদক